# SARASWAT

Newsletter (4th edition, 2020)

## Assamese Department, Damdama College

Kulhati, Kamrup - 781104, Assam

Estd. : 1978







### Editorial Board

**Chief Advisor :**
Dr. Suranjan Sarma *(Principal)*

**Advisor :**
Sree Dharmeswar Barman *(Vice-Principal)*

**Editor :**
Dr. Sabitry Saikia *(HoD)*

**Co-Editor :**
Mrs. Manju Das *(Assistant Prof)*

**Members :**
Dr. Rumi Kalita Das *(Assistant Prof)*
Sree Chandanjyoti Chutia *(Assistant Prof)*
Sree Kartik Pathak *(Assistant Prof)*
Sree Nayanmoni Das (6th sem),
Sumi Sultana (4th sem),
Nishamoni Patowary (2nd sem) (Student)


**Departmental Achievements -**

1. The first wall magazine of the Department as well as the college, 'Phoenix' has been published since 2003.
2. The first hand written magazine of the department as well as the college, 'Na-jyoti' has been published since 2008; with the first editor being Sri Namita Das and Advisor Dr. Sabitry Saikia.
3. Some notable editors include- Sri Namita Das, Deepsikha Medhi, Jeuti Das, Moni Kashyap, Rijumoni Medhi, Mintul Hazarika, Trishna Deka, Santanu Das, Jaya Das, Anjanjyoti Sarma, Nibharani Das, Labhita Das, Pawan Das, Barasha Kakoty, Jiten Das, Monika Deka, Nayanmani Das, Dharitri Das.
4. For the first time, for the year 2013-14, the first class first student of the Assamese Department of the college, Mintul Hazarika has been awarded prize money of Rs. 1000 by Dr. Sabitry Saikia.
5. For the year 2014-15, the aforementioned prize money has been awarded to Anjanjyoti Sarma by Dr. Sabitry Saikia. The second best student, Jasmine Sultana, has been awarded by Dr. Rumi Kalita Das.
6. For the year 2015-16, the aforementioned prize money has been awarded to Karabi Das by Dr.

Sabitry Saikia. The second best student, Helena Saikia, has been awarded by Dr. Rumi Kalita Das; and the third, Jaya Das has been awarded by the department.

7. For the year 2016-17, the aforementioned prize money has been awarded to Labhita Kalita by Dr. Sabitry Saikia. The second and third best students-Nirmali Kumari and Momi Sarma have been awarded by the department.
8. For the year 2017-18, the aforementioned prize money has been awarded to Barasha Kakoti by Dr. Sabitry Saikia. The second best student, Pawan Das, has been awarded by Dr. Rumi Kalita; the third best student Kabita Das has been awarded by Mrs. Manju Das & Sri Kartic Pathak.
9. For the year 2018-19, the aforementioned prize money has been awarded to Samsun Nahar Begum; the second best student, Jiten Das, and third, Pompi Das by Dr. Sabitry Saikia
10. From the year 2017-18, Dr. Sabitry Saikia has started the initiative to award Rs. 10,000 per year to the best graduate of the college in the memory of renowned historian, and her husband Dr. Surajeet Baruah. Barasha Kakaty (Assamese dept) has been awarded this prize for the first time.
11. Educational tours- Tezpur and Bardoa (2017); Doul Govinda, Bagheshwari temple in North Guwahati (2018); Barpeta Satra, Patbaushi, Bor dodhi and Dhoparguri Satra and Gorokhia Than in Kamrup district (2019). Incharges- Dr. Sabitry Saikia, Tapanjit Rajkunwar, Kartic Pathak, Manju Das and Dr. Rumi Kalita Das.
12. The subjects of 4$^{th}$ semester Assignment (Paper-M-403/50marks) on Area Studies (Field and Class study as well as Library Work) include-Folk Culture-literature, language, dance, music, social customs, festivals, performing art, Daul – devaloi, Mandir, Dargah, Historical places, Satra - Sangskriti etc. (From 2011-2020).
13. Seminars on - Poetry, Music, Drama, Short Stories, Linguistics and Education (from 2013 to 2020).
14. Celebrations - Teacher's Day, Departmental Freshers, Farewell meetings, Silpi Diwas, Rabha Diwas, birth anniversary of Bhupen Hazarika, Literary competitions, best student felicitation, Inauguration of handwritten and wall magazines, felicitation of Assam's renowned writers, artists, social workers, teachers etc. Farewell meeting held on15-11-2019 of Associate Prof. Mrs. Sarama Das.
15. Publication of the first newsletter of the college, 'Saraswat' in 2006. (Discontinued). From 2018-20, publication of the newsletter has been restarted.

## NEWS (Literature)

1. Olga Tokarczuk and Peter Handke win Nobel Prize for Literature for 2018 and 2019.
2. Booker Prize for fiction was announced in 14 October. The prize was awarded jointly to Margaret Atwood for 'The Testaments' and Bernardine Evaristo for 'Girl, Women, other'.
3. Sahitya Academy award in Assamese literature for 2019 was awarded to Joyasree Goswami Mahanta for her writing 'Chanakya' (novel).
4. Sahitya Academy Yuva Puraskar for 2019 was awarded to Sanjib Pal Deka (Ei Pine Ki Ase?) and Rujab Muchahary (Sansri Arw Mwndangthini Mwkhang).
5. Sahitya Academy Translation award was awarded to Dr. Nava Kumar Handique for his translation work 'Rajtarangini'. This book was translated from Sanskrit to Assamese.
6. Sahitya Academy Children literature award was awarded to Swamim Nasrin for Assamese language (Mili, Amiya aru akhan nadi) and Lakhminath Brahma for Boro language (Solobatha Khwanasong De).
7. Munin Barkataki award for 2019 was awarded to Ankur Ranjan Phukan.

## গণতন্ত্ৰ

**ধৰিত্ৰী দাস**, *ষষ্ঠ ষাণ্মাসিক*

হত্যা সন্ত্ৰাস ধৰ্ষণ সহজ হৈ আহে আজি
শান্তি প্ৰেম ভাতৃত্ব আভিধানিক শব্দ মাথোন
কাৰো চকুত নুফুলে টোপনিৰ কুসুম পাঁহি
ধাৰাসাৰ দুখৰ বন্যাত গণতন্ত্ৰ
নিজৰ ঘৰত নিজে বন্দী
আজি স্বাধীনতা ।...














কৰ'না অতিমাৰীৰ গ্ৰাসত বিশ্বৰ ত্ৰাসিত জনগণৰ প্ৰচলিত অৰ্থত স্বাভাৱিক পৰিবেশ ঘুৰাই পোৱাৰ আশা বুকুত বান্ধি সেৱা-শুশ্ৰূষা-ভাত-কাপোৰৰ দিন প্ৰতিদিন সংগ্ৰামৰ অংশীদাৰীত্ব আৰু সহমৰ্মীতা প্ৰকাশৰ লগতে বিশ্ব-মানৱতাৰ অহিতকাংখী স্বাৰ্থান্বেষী নিপাত যোৱাৰ কামনাৰে-অনুষ্ঠুপীয়াকৈ বিভাগীয় বাৰ্তালোচনী বা সংবাদ-পত্ৰালোচনী যি নামেৰেই নামাতক ভুল- ভ্ৰান্তি মাৰ্জনা কৰি এই চতুৰ্থ সংখ্যাটিক এনে ৰূপত আদৰি লয় যেন। **— সম্পাদক**

## অৱলোকন ঃ

জ্যোতিপ্ৰসাদৰ ঐতিহ্য চেতনাৰ কবিতাসমূহৰ ভিতৰত-কাঞ্চনজংঘাৰ বুৰঞ্জী, কুমাৰ মোহন, চিত্ৰলেখা প্ৰধান। আবেগিক ঐক্যৰ কবিতা-গাঁৱৰ জীয়ৰী, অসমীয়া ডেকাৰ উক্তি, ন-যোৱান ই হিন্দ, অসমৰ নবীন জোৱানৰ সংকল্প, অসমীয়া ছোৱালীৰ উক্তি আদি উল্লেখ্য। অৰ্থনৈতিক শোষণ মুক্তিচেতনাধৰ্মী বা ৰূপান্তৰকাংখী কবিতা-ভলন্তিয়াৰৰ দুখ, জ্যোতি-শংখ, পোহৰৰ গান, এটা মাতোৱাল বনুৱা, এটা পগলা খেতিয়ক, জনতাৰ আহ্বান, সাৰধান সাৰধান, বিশ্বশিল্পী ইত্যাদি। ৰহস্যময় সৃজনী শক্তিৰে শিশুমন আকৰ্ষিত কৰিব পৰা অসাধাৰণ শিল্পী জ্যোতিপ্ৰসাদৰ শিশু কবিতা-কুম্পুৰ সপোন, ভুতপোৱালী, ফুল কুৰঁৰী, অকণমানিৰ সপোন, অকণ মানি ছোৱালী, অকণমান ল'ৰা, নতুন অকণমানিৰ গান, আহ অ' অকণি আহ, মাক আৰু সোণ ইত্যাদি।

**— মঞ্জু দাস**

পদাৰ্থ বিজ্ঞানী, সাহিত্যিক, ভাষা-সংস্কৃতিবিদ, ইতিহাসবিদ, পুৰাতত্ত্ববিদ, চিন্তাশীল গৱেষক কালিৰাম মেধি একেধাৰে প্ৰাক-শংকৰী যুগৰ কবি হেম সৰস্বতী ৰচিত 'প্ৰহ্লাদ চৰিত্ৰ' পুথিৰ বিজ্ঞানসন্মত পাঠ-সমীক্ষা (১৯১৩) আৰু বিভিন্ন সত্ৰ সংগৃহিত সাঁচিপতীয়া একুঁৰি এখন

অংকীয়া নাটৰ সম্পাদিত ১১১ পৃষ্ঠাৰ ইংৰাজীত লিখা জ্ঞানগৰ্ভী পাতনিসহ 'অংকাৱলী' অন্যতম অৱদান। শ্ৰীমন্ত শংকৰদেৱৰ বিভিন্ন পুথি-পাঁজিৰ পৰা গোটোৱা বানী সমুহৰ সংগ্ৰহ 'মহাপুৰুষ শংকৰদেৱৰ বাণী'ৰ লিখক, মহকুমাধিপতি, অস্থায়ী উপায়ুক্ত, ৰায়বাহাদুৰ মেধি 'কৰ্ম মোৰ সংস্কৃতি'ত বিশ্বাসী নিকা স্বভাবী, বিজ্ঞানমনস্ক চিন্তা-কামৰ আদৰ্শ পুৰুধা আছিল।

— ড° **ৰুমি কলিতা দাস**

লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক। সুৰভি (১৯০৯), সাধুকথাৰ কুঁকি (১৯১০), জোনবিৰি (১৯১৩)। 'মুক্তি' শ্ৰেষ্ঠ গল্পত কঠোৰ অনুশাসনে শিশু-মনস্তত্বক প্ৰভাৱিত কৰি কিদৰে মৃত্যুৰ দৰে কৰুণ পৰিণতিলৈ নিব পাৰে বেজবৰুৱাই তাহানিতে দেখুৱাই গৈছে। সমকালীন সমাজত আভিজাত্যৰ অহঙ্কাৰ, পুৰণি আৰু নতুন চিন্তাৰ দ্বন্দ-বুজাপৰা-স্বাভিমান-বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী আদি সংস্কাৰধৰ্মী লেখাস সহজ-সৰল প্ৰকাশভংগীৰে সাহিত্যৰ শিল্প-চেতনাকো প্ৰতিফলিত কৰিছে।

- **কাৰ্তিক পাঠক**

ড° কমল মল্ল বুজৰবৰুৱাৰ গ্ৰন্থখন দহটা শীৰ্ষকত বিভক্ত। ইয়াৰে প্ৰতিটো লেখাতে লেখকৰ অসম আৰু অসমীয়াৰ প্ৰতি থকা আন্তৰিক ভালপোৱা আৰু দায়বদ্ধতাৰ বহিঃপ্ৰকাশ ঘটিছে। লেখকে 'অলপ বিশ্লেষণ কৰোঁচোন', 'দুৰ্বলতাৰ পৰা সবলতালৈ', 'মনোবৃত্তিৰ চহকীকৰণ', 'কৃতকাৰ্যতাৰ অভিমুখে' আদি ৰচনাৰ যোগেদি অসমীয়া মানুহৰ সবলতা আৰু দুৰ্বলতাসমূহ সূক্ষ্ম ভাৱে নিৰীক্ষণ কৰি দাঙি ধৰাৰ প্ৰয়াস কৰিছে। দক্ষতা আৰু আত্মপ্ৰত্যয় হ'ল একোটা জাতিৰ উন্নতিৰ মূল সোপান। আমাৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ কেৱল ডিগ্ৰী প্ৰদানৰ কাৰখানাত পৰিণত হৈছে নে ভিন্ন কামত পাৰ্গত হোৱাকৈ এচাম নতুন প্ৰজন্মৰো সৃষ্টি কৰিছে; দ্বিতীয় আৰু তৃতীয় বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক লৈ আমাৰ ভৱিষৎ পৰিকল্পনা কি; ইলেক্‌ট্ৰিচিয়ান, বাহনচালক, ম'বাইল বা টি.ভি মেকানিক, ফিজিঅ'থেৰাপিষ্ট, দৰ্জি, খেতিয়ক, ট্যুৰিষ্ট গাইড আদি ক্ষেত্ৰত কাম কৰিব পৰা এচাম দক্ষ নতুন প্ৰজন্ম আমি গঢ় দিব পাৰিচোনে?? লেখকৰ মতে, নৱ প্ৰজন্মই ইতিবাচক মনোবৃত্তি বা যোগাত্মক সৃষ্টিশীলতা আয়ত্ত কৰাত গুৰুত্ব দিব লাগে। গ্ৰন্থখনৰ আন দুটা প্ৰাসংগিক ৰচনা হৈছে - 'উদগনিৰ ফিৰিঙতি' আৰু 'উপহাৰ কি দিওঁ অসম মাতৃক'। ইয়াৰে প্ৰথম ৰচনাখনত লেখকে কৈছে- "জীৱনযাত্ৰাটো অতি সুন্দৰ কৰি তুলিবলৈ, অতি কৃতকাৰ্য কৰি তুলিবলৈ তোমাৰ নিজৰ ওপৰত বিশ্বাস আৰু Motivation power ৰ দৰকাৰ। মই এই কাম কৰিব পাৰিমেই বোলা বিশ্বাস। বিশ্বাসৰ লগতে নিজকে নিজে উদগনি দিয়াটো।" অসমৰ চাৰিটা সবল অৰ্থব্যৱস্থা আছে। যথা- তেল, চাহপাত, কৃষি আৰু বনাঞ্চল। কিন্তু আমি এটাকো সঠিকভাৱে ধৰি ৰাখিব পৰা নাই। লেখকৰ মতে, নতুন প্ৰজন্মই কৃতকাৰ্যতাৰ বাবে সঠিক সময়লৈ ৰৈ নাথাকি, সময়ক সঠিক কৰি তোলাৰ দৰকাৰ।

— **চন্দনজ্যোতি চুতীয়া**

## ভয়

**ড° সাবিত্ৰী শইকীয়া**

এটি অজান ভয়ে
দুৰ্যোগৰ নিশাত পেপুৱা হৈ সোমায়
কিতাপৰ পৰা গানলে বগুৱা বাই
ঠাই ফুৰি ভালপোৱা ফটোবোৰকো নেৰিলে
জুহালৰ পৰা বৰঘৰ, বৈঠকীলে
ভয়টোৱে অহৰহ খেলি থাকে
সপোন আৰু আশাৰ স'তে
হস্পিতালৰ পৰা সংঘৰ্ষত সিচৰতি সংখ্যাই
পালন কৰা ভয়ে
বংশজ আৰু দেশজক শংকিত কৰি তোলে
ভয়টো মৃত্যুতকৈও ভয়াবহ
মহামাৰীৰ দৰে সৰ্বত্ৰ তাৰ অহা যোৱা
সভ্য হৈ অহাৰে পৰা
আকাশতো বসতি কৰা ভয়ে
তৰা জোন বেলি ডাৱৰ নৈ নিজৰা
পাহাৰ বননি ফুলনিক ভাল পাবলৈ ভয় কৰে
কুটি কুটি খায় সি মন, মানুহ
গণনাত বিশ্বৰ সবাতোকৈ ধনী
ভয়টোৱে বাৰু শিশুৰ পৰা শিশুলৈ গিলিব নেকি
পেপুৱা লগাকৈ ভয়টোক মাৰিব পৰা হ'লে...

## শৈশৱ

**- নয়নমনি দাস,** ***ষষ্ঠ ষাম্মাসিক***

ক'ত গ'ল জোনাকী পৰুৱাৰ
পিছে পিছে দৌৰি ফুৰা দিনবোৰ
কেনিনো হেৰাল আকাশভ'ৰা
তৰা গণনা নিশা
জোনটিয়ে আগৰদৰে আমাৰ স'তে
অহা যোৱা নকৰে
ফটকা ফুটাবলে' পমা গছৰ গুটিও
বুটলিবলৈ এৰা বহু ঋতুয়ে পাৰ হ'ল
বৰষুণত তিতি তিতি
কাগজৰ নাও উটুওৱাৰ কিমান যে আনন্দ
আকাশত আজি কালি উৰি নুফুৰে
সেই ৰংচঙীয়া কাগজৰ চিলা...